**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-10-2024
**Time :** 1845Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ চাৰিটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহৰ আজি পৰীক্ষা সম্পন্ন। চামগুৰি বিধানসভা সমষ্টিৰ মনোনয়ন পত্ৰ পৰীক্ষা কাইলৈ দিনৰ ১১ বজালৈ স্থগিত।

২। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নতুনকৈ নিৰ্বাচিত হোৱা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীক কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিযুক্তি পত্ৰ বিতৰণ।

৩। গুৱাহাটীৰ নিৰ্মীয়মান পাণ্ডু বন্দৰে প্ৰধানমন্ত্ৰী গতিশক্তিক ত্বৰান্বিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বন্দৰটো পৰিদৰ্শন কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

*আৰু*

৪। পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে কামৰূপ মহানগৰ জিলাৰ লগতে ৰাজ্যৰ কেইবাখনো জিলাত ১ নৱেম্বৰত স্থানীয় বন্ধ হিচাপে ঘোষণা।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুনকৈ নিৰ্বাচিত হোৱা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীক কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে নিযুক্তি পত্ৰ বিতৰণ কৰিব। দেশৰ ৪০টা স্থানত আয়োজিত ৰোজগাৰ মেলাৰ জৰিয়তে কাইলৈ কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত এইসকল প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই ৰোজগাৰ মেলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিয়োগ সৃষ্টিৰ অগ্ৰাধিকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। এনে ধৰণৰ মেলাই দেশৰ যুৱ প্ৰজন্মক ৰাষ্ট্ৰৰ নিৰ্মাণত অৰিহণা যোগাবলৈ সুবিধা প্ৰদান কৰে। নতুনকৈ নিযুক্তি পোৱা প্ৰাৰ্থীসকলে iGOT কৰ্মযোগী প'ৰ্টেলৰ যোগেদি অনলাইন মাধ্যমেৰে প্ৰাথমিক প্ৰশিক্ষণ গ্ৰহণ কৰাৰ সুবিধা ল'ব পাৰিব। দেশৰ যুৱ প্ৰজন্মই বিকশিত ভাৰত নিৰ্মাণৰ দিশত প্ৰয়োজনীয় দক্ষতা আৰু নিয়োগৰ সুবিধা লাভ কৰাৰ বাবে এহেজাৰ ৪০০ ৰো অধিক ই-শিক্ষণ পাঠ্যক্ৰম এই কৰ্মযোগী প'ৰ্টেলৰ জৰিয়তে গ্ৰহণ কৰিব পাৰিব।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰেক্ষাগৃহত কাইলৈ পুৱা চাৰে ১০ বজাৰ পৰা ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিবলগীয়া এই মেলাত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কাৰ্যসূচীত উপস্থিত থাকিব।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ নিৰ্মীয়মান পাণ্ডু বন্দৰ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে উত্তৰ পূৰ্বাঞ্চলৰ জলপথ আৰু জাহাজ পৰিবহন খণ্ডক সুসজ্জিত কৰাৰ বাবে নিৰ্মাণ কৰি থকা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো জাহাজ মেৰামতি কেন্দ্ৰ পৰিদৰ্শন কৰে। তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক অতি তৎপৰতাৰে আৰু নিয়াৰিকৈ ইয়াৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পাণ্ডু বন্দৰ আৰু ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথটোৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ অচিৰেই এই পথটো নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট পক্ষক নিৰ্দেশ দিয়ে। পৰিদৰ্শনৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী গতিশক্তিক ত্বৰান্বিত কৰিবলগীয়া এই প্ৰকল্পই জলপথৰ আন্তঃগাঁথনি সুদৃঢ় কৰাত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০০

সমগ্ৰ দেশতে আজিৰে পৰা ৰাজহুৱা জীৱনত সততা আৰু এখন দুৰ্নীতিমুক্ত সমাজৰ বাবে তদাৰকী সজাগতা সপ্তাহ ২০২৪ পালন কৰা হৈছে। এই সপ্তাহৰ মূল বিষয়বস্তু হৈছে দেশৰ সমৃদ্ধিৰ বাবে সাংস্কৃতিক সমন্বয়। ৰাজহুৱা প্ৰশাসন আৰু চৰকাৰী কামকাজৰ স্বচ্ছতা আৰু নীতি প্ৰয়োজনীয়তাৰ বাবে এই সপ্তাহ পালন কৰা হৈছে। এই সপ্তাহত বিভিন্ন মন্ত্ৰালয়, বিভাগ, ৰাজহুৱা প্ৰতিষ্ঠান, বেংক আৰু বিভিন্ন সংস্থাৰ বিষয়া-কৰ্মচাৰীসকলে শপতগ্ৰহণ কৰিব। দুৰ্নীতিৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে এই সপ্তাহত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। ভাৰতৰত্ন চৰ্দাৰ বল্লৱভাই পেটেলৰ জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে এই তদাৰকী সজাগতা সপ্তাহ পালন কৰা হয়। আজিৰ পৰা ৩০ নৱেম্বৰলৈ উদযাপন কৰিবলগীয়া তদাৰকী সজাগতা সপ্তাহ উপলক্ষে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা শুভেচ্ছাবাণীত মুখ্যমন্ত্ৰী শ্ৰী শৰ্মাই কয় যে, পুৰাতন ভাৰতীয় সংস্কৃতিয়ে আগবঢ়োৱা প্ৰমূল্যবোধৰ অন্যতম শিক্ষা হৈছে সততাৰ শিক্ষা। ভাৰতীয় সমাজ জীৱনৰ উচ্চ আদৰ্শ সততাৰে এখন সমৃদ্ধিশালী ভাৰত গঢ়ি তুলিবলৈ হ'লে প্ৰতিটো স্তৰৰ পৰা দুৰ্নীতি আঁতৰ কৰাটো আমাৰ লক্ষ্য হ'ব লাগিব বুলি তেওঁ কয়। এই ক্ষেত্ৰত ৰাজ্যখনৰ

চৰকাৰী-বেচৰকাৰী বিষয়া আৰু কৰ্মচাৰীসকল অধিক দায়িত্বশীল হোৱাৰ লগতে প্ৰতিগৰাকী নাগৰিক এই দিশত বিশেষভাৱে সজাগ হৈ দুৰ্নীতিৰ বিৰুদ্ধে চলোৱা যুঁজখনত দৃঢ়তাৰে সহযোগিতা কৰিব লাগিব বুলি তেওঁ কয়।

ইফালে, আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ে আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত এই সপ্তাহ উপলক্ষে বিষয়া-কৰ্মচাৰীসকলক একতাৰ শপতবাক্য পাঠ কৰায়। এই সপ্তাহৰ সৈতে সংগতি ৰাখি আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত সতৰ্কতা সম্পৰ্কীয় বিশেষ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুৰদৰ্শন কেন্দ্ৰ গুৱাহাটী, আকাশবাণী তথা দুৰদৰ্শনৰ মাণ্ডলিক কাৰ্যালয়ৰ তিনিটা দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। সন্দীপ সেনগুপ্ত, ইন্দ্ৰজিত দাস আৰু গৌতম বিশ্বাসৰ দ্বাৰা গঠিত আকাশবাণী গুৱাহাটীৰ দলে চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। আকাশবাণী আৰু দূৰদৰ্শনৰ মাণ্ডলিক কাৰ্যালয়ৰ দলে দ্বিতীয় আৰু দূৰদৰ্শন কেন্দ্ৰ গুৱাহাটীৰ দলে তৃতীয় স্থান লাভ কৰে।

0000000

কেন্দ্ৰীয় বস্ত্ৰশিল্প আৰু বহিঃপৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ অধীনৰ গুৱাহাটীত থকা মুগা, এড়ি আৰু ৰেচমপলু বীজ সংস্থা পৰিদৰ্শন কৰে। এই সংস্থাটোৰ অধীনত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল আৰু তামিলনাডুত থকা ১৩টা ক্ষেত্ৰগোটে মানসম্পন্ন মুগা আৰু এড়ি ৰেচমপলু বীজ উৎপাদনত সমৰ্থন আগবঢ়াই আহিছে। পৰিদৰ্শন কালত কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰীগৰাকীয়ে কয় যে উত্তৰ পূৰ্বাঞ্চলত এই খণ্ডটোৱে অঞ্চলটোৰ জনজাতি মহিলাসকলক জীৱন জীৱিকাৰ সুবিধা প্ৰদান কৰি এটা সম্ভাৱনাপূৰ্ণ উদ্যোগ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। পৰিৱৰ্তিত জলবায়ু পৰিৱৰ্তনৰ সৈতে সংগতি ৰাখি এই সংস্থাটোৰ কেন্দ্ৰ পশ্চিম বংগৰ কালিমপং আৰু উত্তৰাখণ্ডলৈ সম্প্ৰসাৰণ কৰাৰো তেওঁ পোষকতা কৰে। তদুপৰি এই খণ্ডটোৰ উন্নয়নৰ বাবে বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্যিক বিভাগৰ সৈতে সমন্বয় ৰক্ষা কৰাতো তেওঁ গুৰুত্ব প্ৰদান কৰে।

0000000

মীন মন্ত্ৰী কেশৱ মহন্তই আজি অসম কৃষি, বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্পৰ অধীনত গুৱাহাটী ৰূপনগৰত থকা ফিছ্‌ফেডৰ সদৰ কাৰ্যালয় প্ৰাংগণত নতুনকৈ নিৰ্মাণ কৰা মীন সমবায় সমিতিসমূহৰ সমূহীয়া কেন্দ্ৰটো উদ্বোধন কৰে। এই সমূহীয়া সেৱা কেন্দ্ৰটোত মীন সমবায়সমূহৰ সদস্য, মীন বিভাগৰ বিভিন্ন আঁচনিৰ হিতাধিকাৰী আৰু মীন পালনকসকলৰ দক্ষতা বিকাশৰ বাবে প্ৰশিক্ষণ কৰ্মশালা আদি অনুষ্ঠিত হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে ফিছ্‌ফেডৰ সদৰ কাৰ্যালয়ৰ সমীপত থকা পুখুৰীত মীন বিভাগে উৎপাদন কৰা মাগুৰ মাছৰ পোনা মুকলি কৰে। এই অনুষ্ঠানত ফিছ্‌ফেডৰ অধ্যক্ষ সুশীলা হাজৰিকা, উপাধ্যক্ষ দিল্লো শৰ্মাকে ধৰি মীন বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

0000000

অসম গণ পৰিষদ দলক শক্তিশালী কৰাৰ বাবে দলটোৱে প্ৰয়াস অব্যাহত ৰখা হৈছে। ইয়াৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা আঞ্চলিকতাবাদক  সুদৃঢ় কৰাৰ বাবে দলটোৰ কৰ্মকৰ্তাসকলে নিৰন্তৰ সেৱা অব্যাহত ৰাখিছে। আজি দেৰগাঁও বিধানসভা সমষ্টিৰ আঠগাঁও মণ্ডলৰ কেইবাখনো বুথ সভাৰ দলীয় নেতা-কৰ্মীসকলক সাক্ষাৎ কৰি দলৰ সভাপতি তথা ৰাজ্যৰ মন্ত্ৰী অতুল বৰাই এই কথা প্ৰকাশ কৰে। ৰাজ্যৰ সমাগত পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে দলটোৰ ডিজিটেল সদস্যভৰ্তি অভিযান সফল কৰি তুলিবলৈ তেওঁ নেতা-কৰ্মীসকলৰ প্ৰতি আহ্বান জনাইছে।

0000000

চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা একতাৰ দৌৰ ৩১ অক্টোবৰৰ পৰিৱৰ্তে কাইলৈ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি এই কথা ঘোষণা কৰি কয় যে এইবাৰ ৩১ অক্টোবৰত চৰ্দাৰ পেটেলৰ জন্মবাৰ্ষিকী দীপাৱলী উৎসৱৰ সৈতে একে সময়তে হোৱাৰ বাবে একতাৰ দৌৰ কাইলৈ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে দেশবাসীক দলে-বলে ওলাই আহি এই দৌৰত অংশগ্ৰহণ কৰি দেশৰ ঐক্যৰ মন্ত্ৰৰ লগতে সুস্বাস্থ্যৰ মন্ত্ৰক সকলোৰে মাজত বিয়পাই দিবলৈ আহ্বান জনায়। অৱশ্যে লৌহ মানৱগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ৰাষ্ট্ৰীয় একতা দিৱসৰ প্ৰতিজ্ঞা গ্ৰহণৰ কাৰ্যসূচী প্ৰতিবছৰৰ দৰে ৩১ অক্টোবৰত পালন কৰা হ'ব।

0000000

চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তীৰ লগত সংগতি ৰাখি কাইলৈ গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত একতাৰ দৌৰ কাৰ্যসূচী হাতত লোৱা হৈছে। বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে ভাৰতৰ আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সৈতে এই কাৰ্যসূচীৰ আয়োজন কৰিছে। পুৱা চাৰে ৬ বজাত আৰম্ভ হ'বলগীয়া এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰিব।

ৰাজ্যৰ বিভিন্ন প্ৰান্ততো একতাৰ দৌৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে বুলি আমাৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

0000000

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

অহা ১৩ নৱেম্বৰত ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হয়। অৱশ্যে চামগুৰি বিধানসভা সমষ্টিৰ মনোনয়ন পত্ৰ পৰীক্ষাৰ পৰিক্ষণ প্ৰক্ৰিয়া কাইলৈ পুৱা ১১ বজালৈ স্থগিত ৰখা হৈছে। আজি মনোনয়ন পত্ৰ পৰীক্ষা কৰা অনুসৰি ধলাই সমষ্টিত ৯-গৰাকী, ছিদলী সমষ্টিত ৩গৰাকী, বঙাইগাঁও সমষ্টিত ৮গৰাকী, বিহালী সমষ্টিত ৪গৰাকী প্ৰাৰ্থীৰ ভিতৰত আটাইকেইগৰাকী প্ৰাৰ্থীৰেই মনোনয়ন গৃহীত হয়। মনোনয়নে পত্ৰ প্ৰত্যাহাৰৰ অন্তিম তাৰিখ অহা ৩০ অক্টোবৰ ধাৰ্য কৰা হৈছে।

০০০০০০০

পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ কেইবাখনো জিলাত অহা ১ নৱেম্বৰৰ দিনটো স্থানীয় বন্ধ হিচাপে ঘোষণা কৰিছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনেও এই সন্দৰ্ভত জাননী জাৰি কৰিছে। শিৱসাগৰ জিলা আয়ুক্তইও এই দিনটো স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে। এই দিনটোত ৰাজ্য চৰকাৰৰ সকলো কাৰ্যালয়, শৈক্ষিক প্ৰতিষ্ঠান, বিত্তীয় প্ৰতিষ্ঠান, সমবায় বেংক আদি বন্ধ থাকিব।

ইফালে, কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে দীপাৱলীৰ সৈতে সংগতি ৰাখি গ্ৰহণ কৰা **দিৱালী উইথ মাই ভাৰত** কাৰ্যসূচীৰ অংশ হিচাপে আজি মৰিগাঁও জিলাত নেহৰু যুৱ কেন্দ্ৰই স্থানীয় মায়া বজাৰৰ চৌহদ পৰিস্কাৰ-পৰিচ্ছন্ন কাৰ্যসূচী পালন কৰে। কাইলৈ চহৰখনৰ ট্ৰেফিক পইণ্টসমূহ যান-বাহন চলোৱাৰপ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া সজাগতা সম্পৰ্কে প্ৰচাৰ-পুস্তিকা, লিফলেট আদি বিতৰণ কৰিব।

সেউজ দীপাৱলী উদযাপন কৰাৰ লক্ষ্যৰে যোৰহাট জিলা প্ৰশাসন, আৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত যোৰহাট নগৰত সজাগতামূলক পদযাত্ৰা কৰা হয়। জিলা আয়ুক্তই এই কাৰ্যসূচীৰ উদ্বোধন কৰে।

আনহাতে, দিপাৱলী উপলক্ষে ৰাজ্যৰ মৃৎ শিল্পীসকলো ব্যস্ত হোৱা পৰিলক্ষিত হৈছে। পৰম্পৰাগত মৃৎ শিল্পৰ বাবে সমাদৃত ধুবুৰীৰ গৌৰীপুৰৰ আশাৰিকান্দি তেৰাকটা শিল্প গাঁৱৰ মুঠ ১৬০টা পৰিয়ালে বিভিন্ন ধৰণৰ মাটিৰ চাকি নিৰ্মাণ কৰিছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ পৰা অনুমোদন লাভ কৰিলে কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ বৰ্তমান ১৪ জনীয়া সদস্যৰ কাৰ্যবাহী সমিতি ১৬ জনলৈ বৃদ্ধি হ'ব। আজি পৰিষদৰ ২৪৯ সংখ্যক অধিৱেশনত মুখ্য কাৰ্যবাহী সহস্য তুলিৰাম ৰংহাঙে সদনত প্ৰস্তাৱটো দাখিল কৰি এই কথা প্ৰকাশ কৰে। ইফালে মুখ্যকাৰ্যবাহী সদস্য গৰাকীয়ে পৰিষদীয় ২৬টা সমষ্টিত সম উন্নয়ন তথা সৰ্বাংগিন উন্নতিৰ বাবে ৯ কোটি টকাৰ পৰিপূৰক দাবী বিচাৰি সদনত প্ৰস্তাৱ দাখিল কৰাৰ পাছত সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱটোত অনুমোদন জনায়।

০০০০০০০

নামেৰি ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প অহা ৩০ অক্টোবৰৰ পৰা ২০২৪-২৫ বৰ্ষৰ বাবে দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰি ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিছে।

০০০০০০০

বৰপেটা জিলাত আজি বৰবিলাৰ শ্ৰীশ্ৰী পখলা গোঁসাই সভা মহোৎসৱ অনুষ্ঠিত হয়। কালিৰে পৰা আৰম্ভ হোৱা এই মহোৎসৱৰ আজি মূল সভা অনুষ্ঠিত হয়। মূলতঃ এই সভাত ভগৱান বিষ্ণুক আৰাধনা কৰা হয়। কিয়নো পখলা গোঁসাইক ভগৱান বিষ্ণুৰ অংশ হিচাপে গণ্য কৰা হয়। ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ পৰা ভক্তসকল এই মহোৎসৱলৈ অহা পৰিলক্ষিত হৈছে।

০০০০০০০

গোলাঘাট জিলাৰ দেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষ উপলক্ষে আজি দেৰগাঁৱত বৌদ্ধিক জাগৰণ যাত্ৰা শীৰ্ষক এটা কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত দেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষ উপলক্ষে দুখন গ্ৰন্থ উন্মোচন কৰাৰ লগতে এটা অন্তৰংগ আলাপ কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০০

যোৰহাট সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে আজি জিলাখনৰ তিনিখন উৰণ সেঁতুৰ কাম-কাজ পৰিদৰ্শন কৰে। তেওঁলোকে লোক নিৰ্মাণ-পথ বিভাগৰ অধীক্ষক অভিযন্তা আৰু কাৰ্যবাহী অভিযন্তাৰ উপস্থিতিত চিনামৰা কে বি ৰোড আৰু এ টি ৰোডৰ বৰুৱা চাৰিআলিৰ পৰা ভোগদৈলৈকে চলি থকা ফ্লাই অভাৰৰ কামকাজ পৰিদৰ্শন কৰি পৰিকল্পনা কাৰ্যসূচী আৰু প্ৰকল্পসমূহৰ সৈতে জড়িত বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰে। পৰিদৰ্শনকালত বিধায়কগৰাকীয়ে এই প্ৰকল্পকেইটাৰ কাম সময় নিৰ্ধাৰিত ভাবে সম্পন্ন কৰিবলৈ বিষয়াসকলক আহ্বান জনায়।

০০০০০০০

গোলাঘাট জিলাৰ বগৰিজেঙত থকা আৰক্ষী নিৰেশ খেলপথাৰত আজি নিচাযুক্ত সামগ্ৰী দাহন কাৰ্যসূচী গ্ৰহণ কৰা হয়। গোলাঘাটৰ আৰক্ষী অধীক্ষকৰ উপস্থিতিত প্ৰায় ৪ কোটি ৫৩ লাখ টকাৰ নিচাযুক্ত সামগ্ৰী দাহ কৰা হয়। উল্লেখযোগ্য যে, জিলাখনৰ বিভিন্ন স্থানৰ পৰা উদ্ধাৰ কৰা এই নিচাযুক্ত সামগ্ৰীসমূহৰ ভিতৰত হেৰ'ইন, গাঞ্জাকে ধৰি অন্যান্য নিচাযুক্ত সামগ্ৰী মজুত আছিল।

০০০০০০০

তামুলপুৰ জিলাৰ কুমাৰীকটা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ এক নম্বৰ কাউলীত আজি বন বিভাগে এটা অবৈধ কাঠ ফলা মিলসহ গছৰ কুণ্ডা জব্দ কৰে। মিল আৰু গছৰ আনুমানিক মূল্য তিনি লক্ষ্যাধিক টকা হ'ব বুলি অভিযানকাৰী দলে জানিবলৈ দিছে।

০০০০০০০

চৰাইদেউ-শিৱসাগৰ জিলাৰ কেইবাখনো গাঁৱৰ ৰাইজে আয়োজন কৰা চৰাইদেউ কেন্দ্ৰীয় ৰাসলীলা মহোৎসৱৰ আজি লাইখুঁটা স্থাপন কৰা হয়। অহা ১৫ আৰু ১৬ নৱেম্বৰত অনুষ্ঠিত হ'বলগা ৰাস মহোৎসৱৰ লাইখুঁটা বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে স্থাপন কৰে।

০০০০০০০

ৰাজ্যত অহা ১৩ নৱেম্বৰৰ পৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই প্ৰতিযোগিতাৰ বাবে এতিয়ালৈকে ৪১ লাখতকৈও অধিক পঞ্জীয়ন সম্পন্ন হৈছে বুলি অৱগত কৰিছে। প্ৰথম সংস্কৰণৰ খেল মহাৰণতকৈ এই দ্বিতীয় সংস্কৰণ অধিক উন্নত আৰু সম্প্ৰসাৰিত ৰূপত অনুষ্ঠিত  হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰিছে। ইতিমধ্যে ৰাজ্য চৰকাৰে এই খেলমহাৰণ সফলতাৰে আয়োজন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি গ্ৰহণ কৰিছে।

০০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ ডেৰ বজাৰ পৰা অনুষ্ঠিত হ'ব। ইতিমধ্যে দুয়োটা দলে শৃংখলাত এখনকৈ খেলত জয়লাভ কৰি সমতা স্থাপন কৰি আছে।

০০০০০০০

**সমাপ্ত**